# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**মঙ্গলবাৰ, ২৪ মাৰ্চ, ২০২০**

**বিত্ত, ৰূপান্তৰ আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, (উচ্চ আৰু মাধ্যমিক, প্ৰাথমিক) গড়কাপ্তানি, কৃষি, উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ, পশুপালন ও পশুচিকিৎসা, নগৰ আৰু গ্ৰাম্য পৰিকল্পনা, শক্তি (স্বতন্ত্ৰ দায়িত্ব),নগৰ উন্নয়ন, (নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বাদ দি)(স্বতন্ত্ৰ দায়িত্ব)।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **সৰ্বশিক্ষা অভিযান মিছন কৰ্মচাৰীৰ সমস্যা সন্দৰ্ভত ।**

শ্ৰীগুনিন্দ্ৰ নাথ দাস ঃ

*১৩৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যি সকল কৰ্মচাৰীয়ে সৰ্বশিক্ষা অভিযান মিছন বৰ্তমানৰ সমগ্ৰ শিক্ষা অভিযানত কাৰ্য্যনিৰ্বাহ কৰি আছে, SR & FR অনুসৰি তেওঁলোকৰ স্থায়ীকৰণৰ ব্যৱস্থা লোৱা হ'বনে ?

(খ) প্ৰায় ২০০০ মান কৰ্মচাৰীয়ে ROP অনুসৰি দৰমহা লৈ আছে যদিও বৰ্তমান কিছুমান ভাট্টা তেওঁলোকে যোৱা এবছৰ ধৰি পোৱা নাই। যোৱা কিছু বছৰৰ পৰা CPF ত প্ৰাপ্য টকা জমা কৰা হোৱা নাই, ইয়াৰ বাবে চৰকাৰে কি প্ৰয়োজনীয় পদক্ষেপ লৈছে ?

(গ) উক্ত কৰ্মচাৰী সকলে প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্য্যায়লৈকে সকলো কাম তথা তথ্য সংৰক্ষণৰ উপৰিও গুণোৎসৱ, টেট আৰু আন কামত নিজকে নিয়োজিত কৰি দহ/ পোন্ধৰ বছৰৰ অধিক কাল সৰ্বশিক্ষাত কাম কৰি আছে। চৰকাৰে এই সকলৰ ভৱিষ্যতৰ বাবে কিবা পৰিকল্পনা কৰিছেনে ?

*বিষয় ঃ* **Mushalpur Town declaration.**

শ্ৰীথানেশ্বৰ বসুমতাৰী ঃ

*১৩৮। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাক্‌চা জিলাৰ সদৰ মুছলপুৰক টাউন হিচাবে ঘোষণা কৰাৰ বাবে চৰকাৰক সঘনাই আবেদন কৰাৰ পিছতো আজিলৈকে টাউন হিচাবে ঘোষণা নকৰাৰ কাৰণ কি ?

(খ) উক্ত আবেদনৰ প্ৰতি সহাৰি জনাই প্ৰয়োজনীয় ঘোষণা চৰকাৰে কেতিয়ালৈ কৰিব ?

*বিষয় ঃ* **মইনালোৰোঙৰ Model হস্পিতাল সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*১৩৯। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ মইনালোৰোঙত স্থাপিত Model Hospital খন বৰ্ত্তমান কি পৰ্য্যায়ত আছে ? Model Hospital খনত বৰ্ত্তমান চিকিৎসক, নাৰ্চ আৰু চতুৰ্থ শ্ৰেণীৰ পদৱীত কিমানে কাম কৰি আছে ? উক্ত চিকিৎসালয়ত Model Hospital ৰ নিয়ম অনুযায়ী সকলোবোৰ বিভাগ মুকলি কৰি চিকিৎসক নিযুক্তি দিয়া হ'ল নে ?

(খ) উক্ত মডেল হস্পিতালত ডাক্তৰৰ কোৱাৰ্টাৰ, নাৰ্চ, চতুৰ্থ শ্ৰেণী তথা অন্যান্য বিষয়াৰ কোৱাৰ্টাৰ সমূহ নিৰ্মাণ কৰা হ'ল নে? যদি হোৱা নাই, তেনেহ'লে কিয় এতিয়ালৈকে নিৰ্মাণ কৰা হোৱা নাই?

(গ) ধীৰেনপাৰাৰ মাতৃ আৰু শিশুৰ কল্যাণৰ ৩০ (ত্ৰিশ) খন বিছনা যুক্ত হস্পিতাল বৰ্ত্তমান কি পৰ্য্যায়ত আছে, উক্ত হস্পিতালখন চিভিল হস্পিতাললৈ উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) উক্ত হস্পিতালত তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ স্থায়ী আৰু অস্থায়ী পদত কিমানে কাম কৰি আছে? অস্থায়ীভাৱে কাম কৰি থকা কৰ্মচাৰী সকলে কিমান বছৰৰ পৰা কাম কৰি আছে?

(ঙ) উক্ত অস্থায়ী কৰ্মচাৰীসকলক Fixed pay বা Contractual পদত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

(চ) শিকাৰহাটীৰ ৰাজ্যিক চিকিৎসালয়খন বৰ্ত্তমান কি পৰ্য্যায়ত আছে? ২০২০-২১ চনৰ উক্ত হস্পিতালৰ বাবে আৰ্থিক অনুদান দি নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

(ছ) উক্ত অস্থায়ী কৰ্মচাৰী সকলক Fixed pay বা Contractual পদত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

*বিষয় ঃ* **আদৰ্শ বিদ্যালয়ৰ কৰ্মচাৰী ।**

মোঃ নুৰুল হুদা ঃ

*১৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৪ চনৰ পৰা আদৰ্শ বিদ্যালয় সমূহত কৰ্মৰত কৰ্মচাৰীসকলক CPFৰ অন্তৰ্ভুক্ত কৰা হৈছেনে? যদি হোৱা নাই, কেতিয়ালৈ কৰিব?

(খ) ২০১৪ চনৰ পৰা ২০২০ চনলৈ নিযুক্ত হোৱা কিমান শিক্ষকে ইস্তফা দিলে? ইস্তফা দিয়া পদ সমূহ বৰ্তমান পূৰণ কৰা হৈছেনে? যদি হোৱা নাই, কেতিয়ালৈ হ'ব? বিতংকৈ জনাব ।

(গ) LDA Cum Accountant, Computer Teacher, Grade-IV আৰু Casual Worker সকলে ROP নিৰ্দেশ অনুযায়ী দৰমহা পায়নে? যদি নাপায়, কিয় দিয়া হোৱা নাই? আৰু কেতিয়ালৈ দিয়া হ'ব?

(ঘ) আদৰ্শ বিদ্যালয় সমূহত যিহেতু বহু দূৰণিবটীয়া শিক্ষক-কৰ্মচাৰী আছে, তেওঁলোকৰ নিৱাসৰ কিবা ব্যৱস্থা আছে নেকি? যদি নাই, কেতিয়ালৈ কৰা হ'ব? জনাব ।

(ঙ) আদৰ্শ বিদ্যালয়ত কৰ্মৰত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি? যদি হোৱা নাই, কেতিয়ালৈ হ'ব? বিতংকৈ জনাব ।

*বিষয় ঃ* **TET শিক্ষক ।**

ডাঃ নজৰুল ইছলাম ঃ

*১৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাহৰিঘাট সমষ্টিত কিমান TET শিক্ষক নিযুক্তি দিয়া হৈছিল?

(খ) বৰ্তমান কিমান TET শিক্ষকে তাত কাম কৰি আছে?

*Sub :* **HT line, LT line & Service Connection line.**

Shri ABDUR RASHID MANDAL :

*142. Will the Minister of Power be pleased to state :

(a) How much length of HT line, LT line and service connection line for electrification of rural areas in Assam is installed during 2016-17 to 2019-2020? Please furnish year wise and District wise separately.

(b) How much length of HT line, LT line and service connection

line along with total numbers of transformers of different capacities are still required to cover 100% of rural inhabitants in Assam ? (Please furnish District wise separately)

(c) Will the Govt. tell the probable period to cover 100% of rural inhabitants by electrification ?

(d) How many transformers of different capacities are replaced by new transformers, repaired and newly installed during 2016-17 to 2019-2020? Please furnish year wise and LAC wise separately.

*বিষয় ঃ* **নিযুক্তি বাতিল হৈ থকা নলবাৰী জিলাৰ অ', বি, বি (OBB) শিক্ষকক পুনৰ মকৰল ।**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

*১৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনত অবিভক্ত নলবাৰী জিলাত নিযুক্তি বাতিল হৈ থকা অ', বি, বি শিক্ষক সকলক মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে ন্যায়ালয়ৰ গোচৰ নংWP(C)2933/2017 আৰু WP(C)2651/2017 মৰ্মে দিয়া ৰায়ৰ ভিত্তিত উক্ত চাকৰিত পুনৰ মকৰল কৰাৰ ব্যৱস্থা কৰিছে নে ?

(খ) যদি ব্যৱস্থা গ্ৰহণ কৰিছে, উক্ত নিযুক্তি বাতিল হৈ থকা শিক্ষক সকলৰ চাকৰিত পুনৰ মকৰল কেতিয়া কৰিব ? (অনুগ্ৰহ কৰি নিৰ্দিষ্ট তাৰিখ দিব) ।

*বিষয় ঃ* **বহুমুখী কাৰিকৰী প্ৰতিষ্ঠানৰ সন্দৰ্ভত ।**

শ্ৰীৰমাকান্ত দেউৰী ঃ

*১৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মৰিগাঁও বহুমুখী কাৰিকৰী প্ৰতিষ্ঠানৰ নিৰ্মাণ কাৰ্য্য বৰ্তমান কি অৱস্থাত আছে ? উক্ত প্ৰতিষ্ঠানটিৰ নিৰ্মাণ কাৰ্য্য কিমান দিনত সম্পূৰ্ণ হ'ব ? মৰিগাঁৱৰ বাহিৰেও অসমৰ কোন জিলাত বহুমুখী প্ৰতিষ্ঠান নিৰ্মাণ কৰা হৈছিল ? সেইবোৰ কাৰ্য্যক্ষম কৰা হ'ল নে ? বিতংভাৱে সদনত জনাব ।

*বিষয় ঃ* **মডেল কলেজ মুলতানি ।**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

*১৪৫। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার কাটলিছড়া সমষ্টির মুলতানিতে সরকার কতৃক মডেল কলেজর জমি আবণ্টন দেওয়া সত্বেও অদ্যাবদি ভিত্তিপ্রস্তর স্থাপন না হওয়ার কারণ কি ?

(খ) যেহেতু উক্ত আবণ্টিত জমি টিলা ভূমিতে অবস্থিত কিন্তু বিভাগীয় কতৃক প্রস্তুত করা Estimate এ টিলা Cutting এর কোন পুঁজি বরাদ্ধ না হওয়ার কথা সরকার অবগত আছে কি ?

(গ) যদি থাকে তবে উক্ত টিলা ভূমি Cutting এর জন্য সরকার থেকে কোন পুঁজি আবণ্টনের পরিকল্পনা সরকারের আছে কি এবং কবে নাগাদ তাহা বরাদ্ধ করা হইবে ?

*বিষয় ঃ* **শিক্ষানুষ্ঠান সমূহত খালী পদৰ সংখ্যা ইত্যাদি।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*১৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানে অসমত কিমানখন নিম্ন প্ৰাথমিক বিদ্যালয়, উচ্চ প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয় ও উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ?

(খ) বঙাইগাঁও জিলাৰ ৩৫নং অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিত কিমানখন উক্ত বিদ্যালয় সমূহ আছে ? (তালিকা সদনত দাখিল কৰিব)।

(গ) উক্ত শিক্ষানুষ্ঠান সমূহত কিমান শিক্ষকৰ পদ খালী হৈ আছে ? (বিদ্যালয় ভিত্তিত তালিকা সদনত দাখিল কৰিব)।

(ঘ) উক্ত খালীহৈ থকা শিক্ষকৰ পদ সমূহ পূৰণ কৰাৰ বাবে কিবা কাৰ্য্যপন্থা হাতত লোৱা হৈছে নেকি ?

(ঙ) যদি লোৱা নাই, কেতিয়া লোৱা হ'ব ?

*বিষয় ঃ* **বিভাগৰ আঁচনি সম্পৰ্কত ।**

শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ

*১৪৭। মাননীয় উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ বিভাগৰ অধীনত যোৱা দুটা বিত্তীয় আৰু চলিত বৰ্ষত ৰাজ্যখনৰ বাবে কিমান টকা আবণ্টনেৰে কি কি আঁচনি গ্ৰহণ কৰা হৈছে ? (বৰ্ষ অনুসৰি বেলেগে বেলেগে জনাব)।

(খ) বিগত দুটা বৰ্ষত বিভাগে কোন কোন আঁচনিৰ বাবে কিমান টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজসাহায্য আৰু ঋণ হিচাবে আৰু ৰাজ্য চৰকাৰৰ পৰা কিমান পুঁজি আবণ্টন পাইছে ?

(গ) ৰাজ্যখনৰ কোন জিলা আৰু মহকুমাত বিভাগে কি কি আঁচনিৰ বাবে যোৱা দুটা বৰ্ষত কিমান টকা আবণ্টন দিছে আৰু সেই সমূহ বৰ্ত্তমানে কেনে পৰ্য্যায়ত আছে ? (সম্পূৰ্ণ তালিকা সহ বিতংকৈ জনাব)।

(ঘ) বিগত দুটা বছৰত আঁচনি লাভ কৰা প্ৰতিষ্ঠান, ব্যক্তি, বে-চৰকাৰী সংস্থা, গ্ৰুপ, নাৰ্চাৰী ফাৰ্ম আদিৰ সম্পূৰ্ণ নাম-ঠিকনা সহ আবণ্টিত পুঁজিৰ পৰিমাণ কি উদ্দেশ্যৰে অনুমোদন দিয়া হৈছিল, বিতং তালিকা দাখিল কৰিব ।

(ঙ) গোলাঘাট জিলাৰ কোন কোন স্থানত কিমান পুঁজিৰে কি আঁচনিৰ জৰিয়তে কোন কোন সংস্থা আৰু ব্যক্তিক আবণ্টন দিছে ?

*Sub :* **TS No. 87/15 in 1st Munsif Court, Barpeta.**

Shri SHERMAN ALI AHMED :

*148. Will the Minister of PWD be pleased to state :

(a) Is it true that 0B-2K-1 Lechas was donated by Mozi Mohazi during 1956-57 to PWD(R) for construction of IB at Mandia ?

(b) Is it true that the said land was recorded in favour of PWD(R) during land settlement of 1958-65 ? Please furnish copy of the Jamabandi.

(c) Is it true that one Meherun Nessa claimed the said land through a fabricated sale-deed and filed a Title Suit ? Please furnish all the records of the TS.

(d) Is it true that the Govt. Pleader Moon Das abstained wilfully, from taking any steps and exparte decree was passed ?

(e) Is it also true that the Govt. Pleader kept the PWD Department in dark about the decree and now the Appeal shall suffer from delay for 7 months ?

(f) If yes, would the Govt. be pleased to take appropriate action including punitive measures against the Govt. Pleader ?

*বিষয় ঃ* **মাধ্যম সালসলনি কৰাৰ উদ্দেশ্য ।**

শ্ৰী দীপক কুমাৰ ৰাভা ঃ

*১৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিৰ অন্তৰ্গত মইসখুলী গাৰোপাৰাত এখন অসমীয়া

মাধ্যমৰ প্ৰাথমিক বিদ্যালয় আছে, উক্ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ?

(খ) যদি উক্ত বিদ্যালয়খনত এজনো ছাত্ৰ-ছাত্ৰী নাই, তেনেহ'লে চৰকাৰৰ ফালৰ পৰা বিদ্যালয়খন অসমীয়া মাধ্যমৰ পৰা গাৰো মাধ্যমলৈ সলনি কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

*বিষয় ঃ* **দীনদয়াল উপাধ্যায় গ্ৰামীণ বিদ্যুত যোজনা এবং সৌভাগ্য যোজনা।**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

*১৫০। মাননীয় বিদ্যুৎ/APDCL বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) দীনদয়াল উপাধ্যায় গ্ৰামীণ বিদ্যুত যোগানের অধীনে ২৯-০২-২০২০ পৰ্যন্ত আসামে কতটি গ্ৰামে বিদ্যুতায়ন হয়েছে এবং আর কতগুলো গ্ৰামে তাহা বাকী আছে ?

(খ) শিলচর বিধান সভা সমষ্টিতে ২৯-০২-২০২০ পৰ্যন্ত উক্ত যোজনায় কতটি গ্ৰামে বিদ্যুতায়ন হয়েছে এবং আর কতগুলো গ্ৰামে তাহা বাকী আছে ?

(গ) যদি বাকী থাকে তবে কতদিনের মধ্যে তাহা সম্পূৰ্ণ হবে ?

(ঘ) সৌভাগ্য যোজনার অধীনে শিলচর বিধানসভা কেন্দ্ৰের শহর এবং গ্ৰামে কতগুলো পরিবারে এখন পৰ্যন্ত (অৰ্থাৎ ২৯-০২-২০২০) বিদ্যুত পৌছে দেওয়া হয়েছে ? শহর এবং গ্ৰামে আরও কতগুলো পরিবার এখনও বাকী আছে তাহা শহর (শিলচর) এবং গ্ৰাম-আলাদা করে তালিকা সদনে পেশ করবে।

(ঙ) যদি সৌভাগ্য যোজনার অধীনে এখনও বিদ্যুতায়ন বাকী রয়েছে তবে তা কত দিনের মধ্যে শেষ হবে ?

(চ) গত প্ৰায় পাঁচ মাস থেকে উক্ত ২টি যোজনার কাজ খুব ধীর গতিতে চলছে, এর কারণ কি ?

*বিষয় ঃ* **ৰাস্তা ৰূপান্তৰৰ কাম।**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

*১৫১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শ্ৰীৰামপুৰৰ পৰা ফুলবাৰী দলং (ব্ৰহ্মপুত্ৰৰ)লৈ (DK. road টো) যোৱা ৰাস্তাটো NH wayলৈ ৰূপান্তৰ কৰাৰ কাম কিমান আগবাঢ়িছে ?

(খ) NH-৩৭ ৰাস্তাটো ৪ লেন ৰাস্তাৰ বাবে কিবা পৰিকল্পনা হাতত লৈছেনে ?

*বিষয় ঃ* **মুখ্যমন্ত্ৰী গ্ৰাম সমগ্ৰ আঁচনি।**

শ্ৰীসুৰেন ফুকন ঃ

*১৫২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰী গ্ৰাম সমগ্ৰ আঁচনিত বৰ্তমানলৈকে অসমৰ কিমানখন গাঁৱক সামৰি ল'লে আৰু কিমান সংখ্যক গাঁও বাকী আছে ?

(খ) এই আঁচনিখনৰ জৰিয়তে অসমৰ কৃষিজীৱি ৰাইজে কি কি সুবিধা লাভ কৰিব ?

*বিষয় ঃ* **দীনদয়াল বৈদ্যুতিকৰণ আঁচনি।**

শ্ৰীকুশল দুৱৰী ঃ

*১৫৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দীনদয়াল উপাধ্যায় বৈদ্যুতিকৰণ আঁচনিয়ে সমগ্ৰ গাঁও সমূহক সামৰি ল'ব পাৰিছেনে ? সম্পূৰ্ণ বৈদ্যুতিকৰণ কৰা প্ৰক্ৰিয়াৰ ম্যাদ উকলি যোৱাৰ পিছতো আকৌ নতুনকৈ সময় সীমা বান্ধিছে নেকি ?

(খ) সৌভাগ্য জ্যোতি যোজনাৰ অধীনত কিমান মানুহক এল. ই. ডি. বাল্ব দিয়া হ'ল আৰু বাকী থকা সকলক কেতিয়া দিব ?

(গ) ঘৰে ঘৰে বিনামূলীয়া বিদ্যুত সংযোগকৰণ প্ৰক্ৰিয়াৰ যোগেদি কিমান মানুহৰ

ঘৰত সৰ্বমুঠ বিদ্যুত সংযোগ হ'ল আৰু কিমান বাকী আছে জনাব ।

*বিষয় ঃ* **বাজেট ৰূপায়ণ ।**

শ্ৰীআমিনুল ইছলাম ঃ

*১৫৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১৯-২০ বৰ্ষৰ বিত্তীয় বাজেট ভাষণৰ কি কি প্ৰতিশ্ৰুতি চৰকাৰে ৰূপায়ণ কৰিব পৰা নাই আৰু কোন কোন প্ৰতিশ্ৰুতি আংশিকভাৱে ৰূপায়ণ কৰা হৈছে ? প্ৰতিশ্ৰুতি সমূহ সম্পূৰ্ণ ৰূপে ৰূপায়ণ কৰিব নোৱাৰাৰ কাৰণ কি ?

(খ) বিত্তীয় বছৰটোত কিমান টকাৰ ৰাজহ সংগ্ৰহ কৰাৰ লক্ষ্য আছিল আৰু তাৰ ভিতৰত কিমান সংগ্ৰহ হ'ল ?

(গ) এতিয়ালৈকে বাজেট প্ৰাক্কলনৰ কিমান টকা খৰচ হ'ল ?

*বিষয় ঃ* **ANM (নাৰ্চ) নিযুক্তি ।**

শ্ৰীউৎপল দত্ত ঃ

*১৫৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ জিলাত থকা Model Hospital, PHC, CHC আৰু Sub-Centre সমূহত কিমান ANM (নাৰ্চ)ৰ পদ খালী হৈ আছে ?

(খ) লখিমপুৰ জিলা আৰু বিধান সভা সমষ্টিত প্ৰশিক্ষণপ্ৰাপ্ত ANM নিযুক্তি নোহোৱা হেতুকে ঘৰত বহি থকাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(গ) GNM সকলৰ বাবে বিজ্ঞাপন জাৰি কৰি নিযুক্তি দিয়া হ'ল । আনহাতে ANM সকলৰ নিযুক্তিৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তেওঁলোকক খালী পদৰ বিপৰীতে কেতিয়াৰ ভিতৰত নিযুক্তি দিব ?

*Sub :* **Non Functional Sub-station under Bokajan LAC.**

Dr. NUMAL MOMIN :

*156. Will the Minister of Power be pleased to state :

(a) What is the status of 33/11 KV Power Sub-station of Sarihojan & Silonijan ?

(b) What are the measures taken to Charge those two power Sub-station?

(c) Who is responsible for unnecessary delay ?

(d) Whether Minister is aware that the people of Border area of Assam under Bokajan LAC, are availing power supply from Dimapur (NAGALAND) ?

(e) What are the measures taken by the Government to provide power supply from Assam to those people taking electricity connection from Dimapur in this border area ?

---

AGP (Mini) 47/20-L.A.Q.-750-13-03-20